# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

**নংঃ ২২৪/২০২০**

**ৰাজ্যখনৰ বিশিষ্ট ব্যক্তি, চিন্তাবিদ, শিল্পী-সাহিত্যিকক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে**

**<u>বৰ্তমানে অসুস্থ হৈ গুৱাহাটীত চিকিৎসাধীন হৈ থকা বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়াৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাই</u>**

**দিছপুৰ, ৩০ এপ্ৰিলঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক্ৰমে চলি থকা লক্-ডাউনৰ সময়ছোৱাৰ ভিতৰতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কেইবাগৰাকী বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিক, শিল্পী, বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি তেখেতসকলৰ সৈতে মত-বিনিময় কৰিছে। মত-বিনিময়ৰ সময়ত মিডিয়া উপদেষ্টা গৰাকীয়ে লক্-ডাউনৰ সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত তেওঁলোকক অৱগত কৰে। তেওঁ লগতে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে জনসচেতনতা সৃষ্টিৰ দিশত তেখেতসকলে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

মিডিয়া উপদেষ্টা গৰাকীয়ে আজি আসাম ট্ৰিবিউন গোষ্ঠীৰ স্বত্বাধিকাৰী, সংবাদ জগতৰ সন্মানীয় ব্যক্তি, পদ্মশ্ৰী বঁটাৰে বিভূষিত প্ৰফুল্ল গোবিন্দ বৰুৱাৰ গুৱাহাটীস্থ বাসভৱনত উপস্থিত হৈ তেখেতৰ মঙ্গল আৰু সুস্বাস্থ্য কামনা কৰাৰ উপৰি সাম্প্ৰতিক সময়ত ট্ৰিবিউন গোষ্ঠীয়ে সামাজিক দূৰত্ব বজাই ৰখাৰ উপৰি এই জটিল সময়ত জনসাধাৰণক ইতিবাচক মাৰ্গ প্ৰদৰ্শন কৰাৰ দৰে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট কথাশিল্পী, অসমৰ চিন্তাশীল জগতৰ পথিকৃৎ, সু-সাহিত্যিক হোমেন বৰগোহাঁঞি, বিশিষ্ট চিত্ৰশিল্পী নীলপৱন বৰুৱা, বিশিষ্ট কবি নীলমনি ফুকন, প্ৰখ্যাত অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য, বিশিষ্ট কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তক সাক্ষাৎ কৰি তেখেতসকলৰ সুস্বাস্থ্য কামনা কৰাৰ লগতে লক্-ডাউন সম্পৰ্কীয় বিভিন্ন বিষয় আলোচনা কৰে।

আনহাতে, বৰ্তমানে অসুস্থ হৈ গুৱাহাটীৰ এপ'ল' হাস্পতালত চিকিৎসাধীন হৈ থকা বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৱজিৎ দাসৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। মিডিয়া উপদেষ্টাগৰাকীয়ে ডেকা সত্ৰীয়া গৰাকীৰ ভাতৃৰ সৈতে হাস্পতালত বাৰ্তালাপ কৰি তেখেতৰ শেহতীয়া স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি ডেকা সত্ৰীয়া গৰাকীৰ আশু-আৰোগ্যও কামনা কৰে।

**পুঃডেঃ / বঃভাঃ**
**৩০/৪/২০২০**